সত্যনিষ্ঠ সাংবাদিকতাত উৎসর্গিত

গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত

# আমাৰ অসম

গুৱাহাটী □ দেওবাৰ □ ২ আহাৰ ১৯২৩ শক □ ১৭ জুন ২০০১ □ মূল্য ঃ ৩.০০ টকা

## উগ্ৰপন্থীৰ অজুহাতত দৰ্শনাৰ্থীৰ বাবে সুদীৰ্ঘ কাল বন্ধ ৰখা হৈছে ৰাষ্ট্ৰীয় উদ্যান

# মানাহৰ উন্নয়নৰ ব্যাপক পৰিমাণৰ ধন আত্মসাৎ, তদন্ত দাবী

**'আমাৰ অসম'ৰ প্ৰতিবেদন ঃ** কেৱল উগ্ৰপন্থীৰ কবলৰ পৰাই নহয়, বন বিভাগৰে এচাম দুৰ্নীতিপৰায়ণ বিষয়াৰ কবলৰ পৰা বিশ্ব-ঐতিহ্যৰ স্থান ৰূপে পৰিচিত জৈৱ-বৈচিত্ৰ্যৰ বনমণ্ডল মানাহ ৰাষ্ট্ৰীয় উদ্যানক ৰক্ষা কৰাৰ দাবী তুলি ওলাই আহিল কেবাটাও প্ৰকৃতিপ্ৰেমী তথা সামাজিক সংগঠন। সুদীৰ্ঘ দিন ধৰি মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ অধীনৰে বাঁহবাৰী বনাঞ্চলৰ ৰেঞ্জাৰৰ দায়িত্বত থাকি ৰাষ্ট্ৰীয় উদ্যানখনলৈ বিভিন্ন আঁচনিৰ নামত অহা ধন আত্মসাৎ কৰা বুলি অভিযোগ তুলি অজয় কুমাৰ ব্ৰহ্মৰ লগতে উক্ত উদ্যানৰ ক্ষেত্ৰ সঞ্চালক এছ পি সিঙৰ বিৰুদ্ধেও মুকলিকৈ ক্ষোভ প্ৰকাশ কৰিলে এই সংগঠনসমূহে। কেৱল সিমানেই নহয়— দুটাকৈ দশক কাল ৰেঞ্জাৰ ৰূপে কাৰ্যনিৰ্বাহ কৰা ব্ৰহ্মই ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতি-কাষৰীয়া ৰাইজৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে ৰাজ্যিক আৰু কেন্দ্ৰীয় আঁচনিৰ ধনৰ লগতে আন্তৰ্জাতিক সংগঠনৰ অনুদানৰ ধনৰ লাখ লাখ টকাৰ সদ্ব্যৱহাৰ নোহোৱাৰ অভিযোগ উঠিল সমাজসেৱী সংগঠনসমূহৰ পৰা। কাৰ্যতঃ অসাধু এই বন বিষয়াসকলৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনক ৰক্ষা কৰি পৰ্যটকৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যানক মুকলি কৰাৰ দাবী তুলিয়েই কেবাটাও সমাজসেৱী আৰু প্ৰকৃতিপ্ৰেমী সংগঠনে শনিবাৰে বনমন্ত্ৰী গোবিন্দ চন্দ্ৰ লাংথাছাৰ হাতত এক স্মাৰক-পত্ৰ দাখিল কৰে। 'গ্ৰীণ মানস' নামৰ স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগত ফাতেমাবাদ চাহ বাগিচা স্পৰ্টছ ক্লাব, প্ৰগতি মহিলা সমিতি, ফাতেমাবাদ মানস আঞ্চলিক ক্লাব, শতাব্দী দৌগলা স্পৰ্টছ ক্লাব আদি একাধিক সংগঠন-স্বাক্ষৰিত এই স্মাৰক-পত্ৰত ১৭টা দাবী উত্থাপন কৰি স্পষ্ট কৰি দিয়া হৈছে— 'বিশ্বজোৰা খ্যাতিসম্পন্ন, অমূল্য বনজ সম্পদৰ বাবেও প্ৰখ্যাত মানাহ ৰাষ্ট্ৰীয় উদ্যানখন অক্ষত অৱস্থাত ৰখাৰ স্বাৰ্থতে এই দাবীসমূহ তৎকালে পূৰণ কৰাটো জৰুৰী হৈ পৰিছে।' আনহাতে, ৰাষ্ট্ৰীয় উদ্যানখন উগ্ৰপন্থীৰ ঘাটি বুলি উদ্যান কৰ্তৃপক্ষই প্ৰচাৰ চলাই যোৱাৰ লগে লগে বিগত কেবাবছৰ ধৰি একে অজুহাতত উদ্যানখন সাধাৰণ ৰাইজৰ বাবে বন্ধ কৰি ৰখা হৈছে। অভিযোগকাৰী সংগঠনকেইটাৰ অভিযোগ— উদ্যানৰ দুজনমান বিষয়াই ইয়াৰ সুবিধা লৈ উদ্যানখনলৈ অহা বিভিন্ন আঁচনিৰ ধনৰ বুজন পৰিমাণৰ অংশ পকেটস্থ কৰিছে। এইখিনিতে উল্লেখযোগ্য যে ব্ৰহ্মা ২ পৃষ্ঠাত

'বহুবচন'ত— কাৰ্টুন আৰু হীৰুদা ■ প্ৰসন্নকুমাৰ ডেকা— সাহিত্য সমীক্ষ

# ধন আত্মসাৎ, তদন্ত দাবী

উগ্রপন্থীৰ আক্রমণত পূৰ্বে আহত হৈছিল আৰু সাহসিকতাৰ বাবে প্রশংসিত হৈছিল। বনমন্ত্রীক স্মাৰক-পত্র দিয়া বুলিয়েই নহয়, মানাহ ৰাষ্ট্রীয় উদ্যানক লৈ এই সংগঠনসমূহে উত্থাপন কৰা সমস্যাসমূহেহে বিশেষ গুৰুত্ব দাবী কৰিছে। উল্লেখ্য, নামনি অসমৰ সোণকোষ নৈৰ পৰা পূৰ্বে ধনশিৰি পৰ্যন্ত ২,৮৩৭ বৰ্গ কিলোমিটাৰজোৰা বিস্তীৰ্ণ এলেকা সামৰি ভূটানৰ পাদদেশীয় এই বনাঞ্চলটিক ১৯১৭ চনতে সংৰক্ষিত বনাঞ্চল হিচাপে স্বীকৃতি দিয়া হয়। ১৯২৮ চনত অভয়াৰণ্য হিচাপে ঘোষণা কৰা বনাঞ্চলটিক ১৯৭৩ চনত ব্যাঘ্র প্রকল্পৰ অধীনলৈ নিয়া হয়। ১৯৮৫ চনত বিশ্ব-ঐতিহ্যৰ স্থান (ৱৰ্ল্ড হেৰিটেজ ছাইট) হিচাপে চিহ্নিত কৰি ১৯৮৯ত জৈৱ-বৈচিত্র্যৰ বনমণ্ডলৰ স্বীকৃতি দিয়া হয়। শেহতীয়াকৈ ৫১৮ বৰ্গ কিলোমিটাৰ মাটিকালি সামৰি এই বনাঞ্চলটিক ৰাষ্ট্রীয় উদ্যানৰ স্বীকৃতি দিয়া হৈছিল।

জৈৱমণ্ডল বনাঞ্চল ৰূপে স্বীকৃতি পোৱা বনাঞ্চলৰ পাৰ্শ্বৱৰ্তী অঞ্চলত গণ-সজাগতা জাগ্রত কৰি বনাঞ্চলৰ সংৰক্ষণৰ কামত অঞ্চলবাসীক জড়িত কৰাৰ বাবেই আৰ্থ-সামাজিক উন্নয়নৰ বিভিন্ন আঁচনি গ্রহণ কৰা হয়। এনে আঁচনিৰ অধীনতে মানাহ ৰাষ্ট্রীয় উদ্যানৰ দাঁতি-কাষৰীয়া ৬৫খন গাঁৱত ৩৬টা মানাহ বন্ধু গোট গঠন কৰা হৈছিল। অৱশ্যে এই গোটসমূহৰ মাথোঁ ৮-১০খনমানহে সক্রিয় হৈ আছিল। কিন্তু যোৱা ২০ ফেব্রুৱাৰীত ৰাষ্ট্রীয় উদ্যানৰ সঞ্চালকে একপক্ষীয়ভাৱে এক নিৰ্দেশযোগে এই গোটসমূহ ভংগ কৰি দিয়ে। অথচ বন্ধু গোটসমূহ বনাঞ্চলৰ সংৰক্ষণৰ ক্ষেত্রত এনেদৰে নিয়োজিত হৈছিল যে যোৱা ২৯ ছেপ্টেম্বৰত ১৮জন চোৰাং চিকাৰী আৰু ২২জন গছকটীয়াক আত্মসমৰ্পণ কৰোৱাৰ ক্ষেত্রতো এনে বন্ধু গোটেই আগভাগ লৈছিল সৰ্বাধিক।

অঞ্চলটোৰ স্বেচ্ছাসেৱী সংগঠনসমূহৰ গুৰুতৰ অভিযোগ— এইদৰে বন্ধু গোট ভংগ কৰাৰ ক্ষেত্রতো আগভাগ লৈছিল মাত্র কেইদিনমানৰ আগলৈকে বাঁহবাৰী বনাঞ্চলৰ ৰেঞ্জ অফিচাৰৰ দায়িত্বত থকা আৰু সম্প্রতি সহকাৰী বন সংৰক্ষকলৈ পদোন্নতি পোৱা অজয় ব্ৰহ্মায়েই। ব্ৰহ্মাই সুদীৰ্ঘ কাল মানাহত এনেদৰে খোপনি পুতিছে যে তেওঁ এই পদোন্নতিৰেও আন ঠাইলৈ বদলি নহৈ মানাহ ৰাষ্ট্রীয় উদ্যানৰ মুখ্য কাৰ্যালয় বৰপেটা ৰোডতে কাৰ্যনিৰ্বাহ কৰাৰ সকলো সুবিধা কৰি লয়। ৰাষ্ট্রীয় উদ্যানৰ ভিতৰৰ কামৰ এতিয়াও তেৱেঁই তদাৰক কৰিবলৈ লৈ নতুনকৈ অহা ৰেঞ্জাৰজনকো কাৰ্যতঃ নিষ্ক্রিয় কৰি ৰাখিছে।

শনিবাৰে বনমন্ত্রীৰ হাতত দাখিল কৰা স্মাৰক-পত্ৰখনত কোৱা হৈছে— ৰজ্যিক কেন্দ্রীয় আৰু আন্তৰ্জাতিক বেচৰকাৰী সংস্থাসমূহে কল্যাণমুখী আঁচনিৰ জৰিয়তে এশ শতাংশ হাৰত কল্যাণমূলক অনুদান আগ বঢ়ালেও এই ধনৰাশিৰ অপব্যৱহাৰৰ বাবে মানাহৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ ৰাইজৰ সমস্যাৱলী আজিও নিৰ্বাপিত নহ'ল। বনাঞ্চলৰ অভ্যন্তৰৰ বাট-পথ, কালভাৰ্ট, দলং আদি বিধ্বস্ত আৰু অত্যন্ত দুৰ্গম, ভূঞাপাৰা আৰু পাণবাৰী ৰেঞ্জত কাৰ্যালয় আৰু বীট কেম্পবোৰৰ অৱস্থা তথৈবচ। ১৯৯৭ চনৰ পৰা উগ্রপন্থীৰ আক্রমণৰ গইনা লৈ ভূঞাপাৰা ৰেঞ্জ অফিচৰ পুনৰ নিৰ্মাণেই হোৱা নাই। তদুপৰি পৰ্যটন কেন্দ্র ৰূপে মানাহৰ সমল যথেষ্ট থাকিলেও ক্ষেত্র সঞ্চালকৰ আওকণীয়া মনোভাব আৰু সদিচ্ছাৰ অভাৱতে কূটাঘাতী কাৰ্যকলাপৰ গইনা লৈ এইক্ষেত্ৰত কোনো সদৰ্থক পদক্ষেপ লোৱা হোৱা নাই। কেৱল সিমানেই নহয়, স্মাৰক-পত্ৰখনত উল্লেখ কৰা হৈছে— নিজকে নিষ্ঠাবান আৰু সুদক্ষ বিষয়া হিচাপে দাবী কৰা বাঁহবাৰী ৰেঞ্জৰ ৰেঞ্জ অফিচাৰ অজয় কুমাৰ ব্ৰহ্মাৰ কাৰ্যকালতে ১৯৮০ৰ সমীক্ষাত পোৱা হাতীৰ সংখ্যা ১,২১৪টাৰ ঠাইত ১৯৯৩ত হয়হি ৫২২টা, ২০০০ চনৰ জৰীপত বাঘো পোৱা গৈছে সেইদৰে মাথোঁ ৬৫টা। এনে পৰিস্থিতিত মানাহ ব্যাঘ্র প্রকল্পৰ বৰ্তমানৰ ক্ষেত্র সঞ্চালক সন্তোষ পাল সিং আৰু বাঁহবাৰী ৰেঞ্জৰ প্রাক্তন ৰেঞ্জাৰ অজয় কুমাৰ ব্ৰহ্মাই কৰা ধনৰ অপব্যৱহাৰত চি বি আই তদন্তৰ দাবী তোলা হৈছে স্মাৰক-পত্ৰখনত। অন্যান্য দাবীসমূহৰ ভিতৰত আছে— এমাহৰ ভিতৰতে দুয়োজন বিষয়াক অপসাৰণ কৰিব লাগে, বিগত বছৰকেইটাৰ দুষ্কৃতিকাৰী আৰু উগ্রপন্থীৰ কাৰ্যকলাপ সম্পৰ্কীয় অপপ্রচাৰ আঁতৰাই দেশী-বিদেশী পৰ্যটকক আকৰ্ষিত কৰিব পৰাকৈ কাৰ্যসূচী হাতত ল'ব লাগে, পাৰ্শ্বৱৰ্তী অঞ্চলৰ আৰ্থ-সামাজিক বিকাশৰ বাবে পদক্ষেপ ল'ব লাগে ইত্যাদি। এই স্মাৰক-পত্র গ্রহণ কৰি মন্ত্রী লাংথাছায়ো সংগঠনসমূহক যাৱতীয় ব্যৱস্থা লোৱা হ'ব বুলি আশ্বাস দিয়ে। উল্লেখ্য, শনিবাৰে তেওঁ লগতে জনায় যে উদ্যানখনলৈ বিগত ১৫ বছৰে অহা আঁচনিৰ ধন সম্পৰ্কত তদন্তৰ দিহা কৰা হ'ব। মানাহৰ উন্নয়ন সম্পৰ্কীয় এক প্রতিবেদনো মন্ত্রী লাংথাছাৰ হাতত দাখিল কৰা হয়। মানাহৰ বন্যপ্রাণী বাৰ্ডেন ধৰণীধৰ বাৰিয়ে প্রস্তুত কৰা এই প্রতিবেদনেও উদঙাই দিছে ৰাষ্ট্রীয় উদ্যানখনৰ সাম্প্রতিক স্বৰূপ। কিন্তু এনে স্মাৰক-পত্র আৰু প্রতিবেদনক গুৰুত্ব দি বনমন্ত্রীয়ে নিজৰ সচেতনতাৰ পৰিচয় দাঙি ধৰেনে— সিয়েই এতিয়া হৈ উঠিছে সবাতোকৈ ডাঙৰ প্রশ্ন।

আমাৰ অসম ১৭ জুন ২০০১ চন

সংবা
the latest registration letter.
Chief
Janasanyog/1264/01

J.B. COLL
ADMISSI
200
ADMISSION FORM FOR D
BE ISSUED FRO
**1st year B.Sc.** :- Last date for
30-6-2001. Interview and admissi
**1st year B.Com.** :- Direct admi
and above marks on 30-6-2001.
forms for others 30-6-2001. Inter
2001.
**1st year B.A.** :- Direct admissio
above marks on 30-6-2001. Last d
others 30-6-2001. Interview and a
**1st year H.S. Science** :- Last
fixed on 2-7-2001. Interview and
**1st year H.S. Commerce** :- 1s
take direct admission on 2-7-200
forms for others is fixed on 2-7-200
13-7-2001.
**1st year H.S. Arts** :- 1st Divisio
admission on 2-7-2001. Last date
others is fixed on 2-7-2001. Inter
2001.
For admission into the other clas
the College Notice Board.
Dr. Anjana
J.B.

দৈনিক অগ্ৰদূত

বাতৰি/বাতৰি

২৮ জুলাই, ২০০১

## পৰিবেশ সজাগতামূলক আলোচনা চক্ৰ

গুৱাহাটী, ২৭ জুলাই ঃ অলপতে বেচৰকাৰী সংস্থা 'দৰ্পণ'ৰ সৌজন্যত 'নগৰবেৰা চাইল্ড একাডেমী' স্কুল প্ৰাংগণত 'পৰিবেশ সজাগতা আৰু ইয়াৰ সংৰক্ষণ'ৰ ক্ষেত্ৰ ভিত্তিক এখনি আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায়। এই আলোচনা চক্ৰখনত নগৰবেৰাৰ বিভিন্ন প্ৰান্তৰৰ পৰা অহা গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই আলোচনা চক্ৰৰ আট ধৰে সংগঠনটোৰ উপদেষ্টা তথা বিশিষ্ট সমাজ সেৱক উদয় ঠাকুৰীয়াই আৰু শীৰ্ষ আলোচনাটোৰ মুখ্য উদ্দেশ্যসমূহ ব্যাখ্যা কৰে দৰ্পণৰ সম্পাদিকা স্বপ্নাশিখা চৌধুৰীয়ে। এই আলোচনা চক্ৰত নগৰবেৰাৰ বিশিষ্ট ব্যক্তিসকলো উপস্থিত থাকি শীৰ্ষ আলোচনাৰ যোগাত্মক দিশবোৰ পৰ্যালোচনা কৰে।

ৰয়েল গভ. ভূটান
গল্ডেন
সাপ্তাহিক লটাৰী
টিকটৰ বাবে যোগাযোগ
09811044222
09821128297
মুম্বাই ঃ 022- 5925444
5918443, 5670197

Admission
Addmision for AMTRON CCCA & DCA Computer course.
Contact :
Infotech computer centre
Baruah Market,
N.T. Road, Nalbari
Ph. No. 23157 (O),
21137 (R)

## নাম সলনি

যোৱা ১১/৪/২০০১ ইং তাৰিখে মৰিগাঁও আদালতত শপত লৈ আমাৰ দেউতাৰ নাম স্বৰ্গীয় ৰাধানাথ নমদাস/ৰাধাচৰম মজুমদাৰৰ পৰিবৰ্তে "ৰাধাচৰণ দাস" কৰিলো। এতিয়াৰ পৰা সকলো ক্ষেত্ৰতে উক্ত নামে পৰিচিত হ'ব।

শ্ৰীজগদীশ দাস (পুত্ৰ)
শ্ৰীআনন্দ দাস ( ,, )
শ্ৰীফনিন্দ্ৰ দাস ( ,, )




*মহানগৰৰ নেচনেলিষ্ট কংগ্ৰেছ দলৰ কাৰ্যালয়ত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ আঞ্চলিক দলসমূহৰ অভিবৰ্তনত মেঘালয়ৰ এইচ এছ পি ডি পিৰ সভাপতি এইচ এছ লিংডোৱে ভাষণ দিছে।* ফটো ঃ দৈনিক অগ্ৰদূত

# মানাহ ৰাষ্ট্ৰীয় উদ্যান সংৰক্ষণৰ দাবী জনালে বনমন্ত্ৰীক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

গুৱাহাটী, ২৭ জুলাই ঃ বিগত প্ৰায় দুটা দশক ধৰি মানাহ ৰাষ্ট্ৰীয় উদ্যানত দুৰ্নীতিপৰায়ণ বিষয়া-কৰ্মচাৰীৰ সহযোগত এচাম অসাধু ব্যৱসায়ী আৰু চোৰাং চিকাৰীয়ে বহু আপুৰুগীয়া জীৱ-জন্তু হত্যা আৰু গছ-গছনি কাটি তহিলং কৰিছে। ফলত উদ্যানখনে ক্ৰমান্বয়ে স্বকীয় বৈচিত্ৰ্য হেৰুৱাবলৈ লৈছে। এনেদৰে বিপৰ্যস্ত হৈ পৰা মানাহৰ মূল্যবান প্ৰাকৃতিক আৰু বনজ সম্পদসমূহ ৰক্ষা কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিবলৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ পাৰ্শ্ববৰ্তী অঞ্চলসমূহৰ কে'বাটাও স্বেচ্ছাসেৱী সংগঠনে ৰাজ্যৰ বনমন্ত্ৰী গোবিন্দ চন্দ্ৰ লাংথাছালৈ আহ্বান জনাইছে। অলপতে বনমন্ত্ৰীগৰাকীৰ হাতত প্ৰদান কৰা এখন স্মাৰক পত্ৰত উক্ত সংগঠনসমূহে মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ বৰ্তমান ক্ষেত্ৰ সঞ্চালক সন্তোষ পাল সিং আৰু বাঁহবাৰী ৰেঞ্জৰ প্ৰাক্তন ৰেঞ্জাৰ অজয় কুমাৰ ব্ৰহ্মাই ৰাজ্যিক, কেন্দ্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংস্থা সমূহৰ পৰা আবণ্টিত অনুদানৰ অপব্যৱহাৰ আৰু আত্মসাৎ কৰা বুলি এই সংক্ৰান্তত চি বি আইৰ দ্বাৰা তদন্ত কৰিবলৈ দাবী জনাইছে।

উল্লেখ্য যে ২৮৩৭ বৰ্গ কিলোমিটাৰ জোৰা বিস্তীৰ্ণ অঞ্চল সামৰি ভূটান পাদদেশীয় মানাহে ১৯১৭ চনতে সংৰক্ষিত বনাঞ্চলৰূপে স্বীকৃতি লাভ কৰে। ইয়াৰ পাছত ১৯২৮ চনত ইয়াক মানাহ অভয়াৰণ্য ৰূপে ঘোষণা কৰি '৭৩-ত মানাহ ব্যাঘ্ৰ প্ৰকল্প সঞ্চালনাৰ অধীনলৈ অনা হয়। কেৱল সেয়ে নহয়, '৮৫ত মানাহে বিশ্ব ঐতিহ্যৰ স্থান ৰূপে স্বীকৃতি লাভ কৰে। পূৰ্বতে মানাহ অভয়াৰণ্যৰ প্ৰশাসন উত্তৰ কামৰূপ সংমণ্ডলৰ অন্তৰ্ভুক্ত আছিল যদিও ব্যাঘ্ৰ প্ৰকল্প সঞ্চালনালৈ পৰ্যবসিত হয়।

মানাহৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ বিভিন্ন স্বেচ্ছাসেৱী সংগঠন গ্ৰীণমানাহ, ফাতেমাবাদ চাহ বাগিচা স্পৰ্টছ ক্লাব, প্ৰগতি মহিলা সমিতি, ফাতেমাবাদ মানাহ আঞ্চলিক ক্লাব, বাটাবাৰী দৌগালা স্পৰ্টছ ক্লাব, মাইনাওগামি সমাজ আদিয়ে বন মন্ত্ৰীক প্ৰদান কৰা স্মাৰক পত্ৰখনত উল্লেখ কৰা মতে যোৱা মেলৈ বিগত দুটা দশক ধৰি ৰেঞ্জাৰ পদত কাৰ্যনিৰ্বাহ কৰা জনৈক অজয় কুমাৰ ব্ৰহ্মাই পূৰ্বৰ সঞ্চালক কেইজনৰ উপৰি বৰ্তমানৰ সঞ্চালকজনক বিপথে পৰিচালিত কৰি বনাঞ্চল আৰু দাঁতিকাষৰীয়া ৰাইজৰ উন্নয়নমূলক কাম-কাজৰ উদ্দেশ্যে ৰাজ্যিক, কেন্দ্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পুঁজিৰ পৰা ভুৱা আঁচনিৰ নামত লক্ষ লক্ষ টকাৰ অপব্যৱহাৰ আৰু আত্মসাৎ কৰিছে। আনকি ৯০-৯২' চনত উপ-সঞ্চালকৰূপে আৰু '৯৮ বৰ্ষৰ পৰা বৰ্তমানলৈ দ্বিতীয়বাৰৰ বাবে মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ সঞ্চালকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা সিঙে প্ৰকল্পৰ অধীনস্থ পাণবাৰী আৰু ভূএগপাৰা ৰেঞ্জৰ কাৰ্যালয় আৰু বনাঞ্চলত আজিলৈকে পদাৰ্পণ কৰি পোৱা নাই বুলিও অভিযোগ কৰা হৈছে। ফলত ক্ষেত্ৰ সঞ্চালকৰ চৰজমিন অনভিজ্ঞতাৰ সুযোগলৈ প্ৰাক্তন ৰেঞ্জাৰ ব্ৰহ্মাই উন্নয়ন শিতানৰ বিপৰীতে আবণ্টিত লক্ষ লক্ষ ধনৰ অপব্যৱহাৰ আৰু আত্মসাৎ কৰাৰ সুবিধা পাইছে আৰু উচ্চস্তৰীয় বিষয়া-কৰ্মচাৰী প্ৰমুখ্যে ক্ষেত্ৰ সঞ্চালকৰ স'তে লগ হৈ আত্মসাৎ কৰা ধন ভাগ-বাটোৱাৰা কৰাৰ অভিযোগ উঠিছে।

উল্লেখ্য যে বিষয়া কৰ্মচাৰীসকলৰ দুৰ্নীতিগ্ৰস্ততাৰ বাবেই বনাঞ্চলৰ ভিতৰুৱা বাটপথবোৰ কালভাৰ্ট, দলং আদি বিধ্বস্ত হৈ পৰিছে আৰু যথেষ্ট দুৰ্গম ভূএগপাৰা আৰু পাণবাৰী ৰেঞ্জৰ কাৰ্যালয় আৰু বিট বা কেম্পবোৰৰ অৱস্থাও তথৈবচ। '৯৭ বৰ্ষৰ পৰা উগ্ৰপন্থীৰ আক্ৰমণৰ গইনা লৈ ভূএগপাৰা ৰেঞ্জ অফিচ পুনৰ নিৰ্মাণ কৰা হোৱা নাই আৰু বিট অফিচবোৰৰ চিন চাপ নোহোৱা হৈ পৰিছে। অথচ পাণবাৰী আৰু ভূএগপাৰা ৰেঞ্জৰ অধীনত দেশী-বিদেশী পৰ্যটকক আকৰ্ষণ কৰিব পৰা যথেষ্ট সমল আছে।

সবাতোকৈ আশ্চৰ্যকৰ বিষয়টো হ'ল এই দুৰ্নীতিপৰায়ণ বিষয়াসকলৰ বাবেই ১৯৮০ চনত চলোৱা জৰীপত পোৱা হাতীৰ সংখ্যা ১২১৪ টাৰ ঠাইত '৯৩ বৰ্ষত মাত্ৰ ৫১১টাহে পোৱা গৈছে। তদুপৰি যোৱা বছৰৰ জৰীপ মতে সম্প্ৰতি মানাহত মাত্ৰ ৬৫ টা বাঘ আছে আৰু শেহতীয়া তথ্য মতে অভয়াৰণ্যখনত মাত্ৰ দুটা গঁড়ৰ খোজহে চিহ্নিত হৈছে।